প্ৰেছ বাৰ্তা নং ঃ ৩৭৬/২০২২

# ধেমাজিত বিকাশৰ বাবে এটা পষেক অনুষ্ঠানত মুখ্যমন্ত্রীৰ অংশগ্রহণ

## ধেমাজি জিলাত ১২২০.২১ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ শিলান্যাস, ভূমিপূজন আৰু শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ধেমাজিক এখন উন্নত আৰু প্ৰগতিশীল জিলালৈ ৰূপান্তৰিত কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ ডিচেম্বৰ ঃ** ধেমাজি জিলাৰ উন্নয়নৰ এক নতুন ৰূপৰেখা নিৰ্ণয়ৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিকাশৰ বাবে এটা পষেক কাৰ্যসূচীৰ অধীনত ১২২০.২১ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন আঁচনিৰ শিলান্যাস, ভূমিপূজন আৰু শুভ উদ্বোধন কৰে।

এই কাৰ্যসূচীৰ অধীনত ৬০৫.২৪ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আন্তঃগাঁথনি, ৪৯.৮৯ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি সংহত জিলা উপায়ুক্ত কাৰ্যালয়, ৫০.৫৩ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে দেউৰীবিলত জিলা ক্ৰীড়া প্ৰকল্প, ১২.৩৬ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প (মিনি ষ্টেডিয়াম), ৫.০৩ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই)ক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে কৰ্মশালা আৰু কাৰিকৰী পৰীক্ষাগাৰ, ৫.০৩ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি চৰকাৰী পলিটেকনিক শিক্ষা প্ৰতিষ্ঠানক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে কৰ্মশালা আৰু কাৰিকৰী পৰীক্ষাগাৰ, ২৭৩.৫০ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ঢকুৱাখানাৰ পৰা বুটিকোৰ হৈ তেলীজানলৈ ৩২.৬৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৰাৰ উন্নীতকৰণ, ১৯.৭৬ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে আমগুৰি (লুটাচুৰ)ৰ পৰা চিচিকলঘৰলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ মথাউৰিৰ ওপৰেৰে ৭.৪৫ কিঃমিঃ দৈৰ্ঘ্যৰ পথ, ১৫.০৯ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি চাৰিআলিৰ পৰা অসামৰিক চিকিৎসালয় বঙালমাৰী (বটুৱামিৰি) হৈ দুসুঁতিমুখলৈ পথ, ১৩.৪৭ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে ধেমাজি ৰে'লৰে ষ্টেচনৰ ফিদাৰ পথৰ থানা তিনিআলিৰ পৰা জামুগুৰি পাঁচআলি শান্তিপুৰ হৈ আদিকলীয়ালৈ ৫.৫০ কিঃমিঃ দৈৰ্ঘ্যৰ পথ, ৪৯.৪৯ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে অকাজান লিকাবালি-নিলখ পথৰ গাইনদীৰ ওপৰত ৪৮০ মিটাৰ দৈৰ্ঘ্যৰ দলং আৰু পথ, ৪৩.৮৭ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে মেচাকি, জয়ৰামপুৰ, গালি আৰু বুটিকোৰত একোটাকৈ নতুন ৩৩/১১ কেভিৰ বিদ্যুৎ উপকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীয়ে ১০ কোটি টকা ব্যয় সাপেক্ষে ধেমাজিৰ কাৰিচুক তিলিআলিৰ পৰা ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ নতুনকৈ নিৰ্মাণ কৰা ৭.৮০ কিঃমিঃ দৈৰ্ঘ্যৰ পথ, ৮.৭৫ কোটি টকা ব্যয় সাপেক্ষে ১৫ নং

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাষ্ট্ৰীয় ঘাইপথৰ শিলিখাগুৰিৰ পৰা লক্ষীপথাৰলৈ নতুনকৈ নিৰ্মাণ কৰা পথ, ৮.৬৬ কোটি টকা ব্যয় সাপেক্ষে বালিজানত নতুন ৩১/ ১১ কেভি (২x১০) এম ভি এ জি আই এছ বিদ্যুৎ উপকেন্দ্ৰৰ শুভ উদ্বোধন কৰে।

১৮.৬৮ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে চিচিকলঘৰৰ পৰা দেউৰীঘাটলৈ ব্ৰহ্মপুত্ৰৰ মথাউৰিৰে ওপৰেৰে ৭.৩ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ, ৩০.৭৯ কোটি টকা নিৰ্দ্ধাৰিত পুঁজিৰে সোণাৰি গাঁৱৰ পৰা দিজমূৰলৈ ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ ওপৰেৰে পথ নিৰ্মাণ কাৰ্যৰ ভূমিপূজন কৰে মুখ্যমন্ত্ৰীয়ে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বানক্ষতিগ্ৰস্ত জিলা হিচাপে ধেমাজিৰ যি ভাৱমূৰ্তি তাৰ পৰা জিলাখনক এখন উন্নত আৰু প্ৰগতিশীল জিলালৈ ৰূপান্তৰিত কৰাৰ বাবে অসম চৰকাৰে কাম কৰি আছে। বন্ধ আৰু ধৰ্ণা সংস্কৃতি পৰিহাৰ কৰি কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ লগতে বৌদ্ধিক অনুশীলনৰ জৰিয়তে সামাজিক পৰিৱেশ সজীৱ কৰি থলুৱা সংস্কৃতি, কৃষিৰ লগতে ৰাজ্যৰ অৰ্থনীতিৰ অন্যান্য ক্ষেত্ৰসমূহক আগুৱাই নিয়াৰ উপৰি বিশ্বমানৰ ক্ৰীড়াবিদ সৃষ্টিৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

ধেমাজিৰ ভৱিষ্যতৰ উন্নয়নৰ পৰিকল্পনাৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে প্ৰতিখন হাইস্কুলৰ বাবে ৭ ৰ পৰা ৮ কোটি টকা ব্যয় কৰি পৰ্যায়ক্ৰমে আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰিব। তেওঁ লগতে কয় যে শীঘ্ৰে ধেমাজিত এটা বৃহৎ গাখীৰ সংসাধন গোট স্থাপন কৰা হ'ব। আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীক সহায় কৰিবলৈ ধেমাজিৰ ২০ হাজাৰ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ উপৰিও ৫ লাখ টকাৰ বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰিব পৰাকৈ বঞ্চিত হৈ থকা দুখীয়া পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে জিলাখনক স্বাৱলম্বী কৰিবলৈ কৃষকসকলক দালি উৎপাদনত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যোগাযোগ নেটৱৰ্ক বৃদ্ধি কৰি কেন্দ্ৰীয় চৰকাৰে ডিব্ৰুগড়ৰ চ্যুকাফা তিনিআলিৰ পৰা জোনাই হৈ অৰুণাচল প্ৰদেশৰ ওৱানলৈ পথটো চাৰিলেনযুক্ত পথলৈ উন্নীত কৰিব।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভূৱন পেগু, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়া, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, জিলা পৰিষদৰ সভাপতি মোহন গগৈ, বড়ো কছাৰী উন্নয়ন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মিহিনেশ্বৰ বসুমতাৰী, হাউচিং ব'ৰ্ডৰ উপাধ্যক্ষ সুভাষ দত্ত উপস্থিত থাকে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে ধেমাজি জিলাৰ উপায়ুক্ত কাৰ্যালয় চৌহদত অসমৰ কিংবদন্তী সেনানায়ক বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ধেমাজিৰ ২ নং ভৰালীচুকত নিৰ্মিত জিলা বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰে। এই উপলক্ষে তেওঁ দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰাৰ লগতে জ্যেষ্ঠ কাৰ্যকৰ্তাসকলক সম্বৰ্দ্ধনা জনায়।

**বীঃগঃ / পুঃডেঃ**
**২৩/১২/২০২২**